**কেলিফৰ্ণিয়াৰ এটা হিন্দু মন্দিৰত চলোৱা ধ্বংস কাৰ্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ প্ৰতি চৰকাৰী মুখপাত্ৰৰ উত্তৰ**

মাৰ্চ 09, 2025

কেলিফৰ্ণিয়াৰ এটা হিন্দু মন্দিৰত চলোৱা ধ্বংস কাৰ্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে কয়:

আমি কেলিফৰ্ণিয়াৰ চিনো হিলছৰ এটা হিন্দু মন্দিৰত চলোৱা ধ্বংস কাৰ্য সম্পৰ্কীয় প্ৰতিবেদন প্ৰত্যক্ষ কৰিছো। আমি এনে ধৰণৰ ঘৃণনীয় কাৰ্য্যক কঠোৰ ভাষাত গৰিহণা দিছো। আমি স্থানীয় আইন প্ৰৱৰ্তনকাৰী কৰ্তৃপক্ষক এই কাৰ্যৰ বাবে দায়ী সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনাইছো আৰু লগতে উপাসনাস্থলীসমূহত পৰ্যাপ্ত নিৰাপত্তা নিশ্চিত কৰিবলৈ আহ্বান জনাইছো।

নতুন দিল্লী

মাৰ্চ 08, 2025